# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ব্ৰাজিলৰ ৰাজধানী ব্ৰাছিলিয়াত দেশখনৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডা চিলভাৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হব।

২। চৰকাৰে কাৰ্বনৰ নিৰ্গমন হ্ৰাস কৰা আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ পৰিবেশ অনুকুল কৰি তোলাৰ উদ্দেশ্যে বৰ্তমানলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োপাৰে ৪ কোটি ৭৮ লাখৰো অধিক গছৰ পুলি ৰোপণ কৰিছে।

৩। হজ কমিটিয়ে ২০২৬ বৰ্ষত হজ যাত্ৰাৰ বাবে আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ মধ্যভাগত হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৪ লৈ বৃদ্ধি পাইছে আৰু অন্য ৪১ জন লোক সন্ধানহীন হৈ আছে। *আৰু*

৫। এছিয়ান গেমছৰ সোণৰ পদক বিজেতা জ্যোতি সুৰেখা ৱেন্নমে আজি স্পেইনত আৰম্ভ হ'বলগীয়া আৰ্চাৰী বিশ্ব কাপৰ চতুৰ্থ পৰ্যায়ত দেশক নেতৃত্ব দিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ব্ৰাজিলৰ ৰাজধানী ব্ৰাছিলিয়াত দেশখনৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডা চিলভাৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হব। এই আলোচনাত বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, মহাকাশ, প্ৰযুক্তি, কৃষি, স্বাস্থ্য আৰু জনসম্পৰ্ককে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ে স্থান লাভ কৰিব। আলোচনাৰ অন্তত দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে।

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত দুদিনীয়া ব্ৰীক্‌ছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱানিশা দেশখনৰ ৰাজধানী ব্ৰাছিলিয়াত উপস্থিত হয়। ব্ৰাছিলিয়াত তেওঁক ব্ৰাজিলৰ প্ৰতিৰক্ষা মন্ত্ৰী জ'ছ মুছিঅ' মণ্টেৰিঅ' ফিলহ'ই বিমান বন্দৰত আদৰণি জনায়। বিমান বন্দৰত অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীক পৰম্পৰাগত ব্ৰাজিলিয়ান চাম্বা নৃত্যৰে সম্ভাষণ জনোৱা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বাটালা মুন্ড' নামৰ সংগীত গোষ্ঠীটোৱে পৰিৱেশন কৰা এই নৃত্য-সংগীতৰ অনুষ্ঠানে আফ্ৰিকীয়-ব্ৰাজিলিঅ' সংগীতক গোলকীয় পৰিচয় দিবলৈ সমৰ্থ হৈছে। শ্ৰী মোদীয়ে এই আদৰণিক স্মৰণীয় হিচাপে বৰ্ণনা কৰি শিপাৰ সৈতে প্ৰবাসী ভাৰতীয়সকলে ৰক্ষা কৰি অহা সংযোগক প্ৰশংসা কৰে।

০০০০

৫ দেশীয় ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ নামিবিয়াৰ ৰাষ্ট্ৰপতি নেটুম্বো নন্দি নেটৱাহৰ আমন্ত্ৰণমৰ্মে দেশখনৰ ৰাজধানী উইণ্ডহোকত উপস্থিত হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম নামিবিয়া

ভ্ৰমণ। ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁলোক প্ৰতিনিধি পৰ্যায়ৰ আলোচনাতো মিলিত হ'ব। শ্ৰীমোদীয়ে লগতে নামিবিয়াৰ প্ৰতিষ্ঠাপক তথা প্ৰথম ৰাষ্ট্ৰপতি প্ৰয়াত ড° চেম নুজোমালৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিব।

০০০০

চৰকাৰে কাৰ্বনৰ নিৰ্গমন হ্ৰাস কৰা আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ পৰিবেশ অনুকুল কৰি তোলাৰ বাবে ভালেমান পদক্ষেপ লৈছে। এনে পদক্ষেপৰ অংশ হিচাপে সমগ্ৰ দেশত বৰ্তমানলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োপাৰে ৪ কোটি ৭৮ লাখৰো অধিক গছৰ পুলি ৰোপণ কৰা হৈছে আৰু ৭০ হাজাৰ গছ স্থানান্তৰিত কৰা হৈছে। ফৰিদাবাদ-নয়দা আন্তৰাষ্ট্ৰীয় বিমানবন্দৰৰ কৰিড'ৰত এক পেড় মা কে নাম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত এটা সমাৰোহত ভাষণ দি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি এইকথা প্ৰকাশ কৰে। তেওঁ কয় যে ২০২৪-২৫ বৰ্ষৰ ৬০ লাখ গছপুলি ৰোপণৰ লক্ষ্য ঠিৰাং কৰাৰ বিপৰীতে এই সময়ছোৱাত ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োপাৰে ৬৭ লাখ গছপুলি ৰোপণ কৰা হয়। শ্ৰীগাডকাৰীয়ে লগতে বাহৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে বাহেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰিব পৰা যায়। ভাৰতৰ যান-বাহন উদ্যোগে জাপানক চেৰ পেলাই বিশ্বৰ তৃতীয় সৰ্ববৃহৎ উদ্যোগৰূপে পৰিগণিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

হজ কমিটিয়ে ২০২৬ বৰ্ষত হজ যাত্ৰাৰ বাবে আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। হজযাত্ৰীসকলে আনুষ্ঠানিক হজ পোৰ্টেল আৰু হজ সুবিধা মোবাইল এপৰ জৰিয়তে আবেদন দাখিল কৰিব পাৰিব। ৩১ জুলাইলৈ আবেদন মুকলি থাকিব। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, আবেদনৰ বাবে অন্তিম সময়সীমা বা তাৰ পূৰ্বে জাৰি কৰা ভাৰতীয় পাছপোৰ্ট থাকিব লাগিব আৰু এই পাছপোৰ্ট কমেও ২০২৬ বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত বৈধ হ'ব লাগিব। কমিটিয়ে লগতে আবেদনকাৰীসকলক আবেদনৰ পূৰ্বে যাত্ৰাৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত হয় নে নহয় সেয়া চালি জাৰি চাবলৈ পৰামৰ্শ আগবঢ়াইছে। মৃত্যু বা গুৰুতৰ চিকিৎসাজনিত পৰিস্থিতিৰ বাহিৰে আবেদন বাতিল কৰিলে জৰিমণা ভৰিব লগা হ'ব আৰু বিত্তীয় লোকচান হ'ব পাৰে।

০০০০

নিষ্ক্ৰীয় হৈ থকা জন ধন একাউণ্টসমূহ বন্ধ কৰিবলৈ কোনো নিৰ্দেশ দিয়া হোৱা নাই বুলি বিত্ত মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। মন্ত্ৰালয়ে আজি এটা বিবৃতিত কয়, যে নিষ্ক্ৰীয় জন ধন একাউণ্টসমূহৰ ওপৰত নজৰ ৰখা হৈছে আৰু বেংকসমূহক এনে একাউণ্টধাৰক সকলৰ সৈতে যোগাযোগ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে। মন্ত্ৰালয়ে কৈছে যে জন ধন একাউণ্টৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে আৰু নিষ্ক্ৰীয় একাউণ্ট বন্ধ হোৱাৰ ঘটনা পোহৰলৈ অহা নাই। জন ধন আঁচনিৰ অধীনত একাউণ্ট, জীৱন জ্যোতি বীমা যোজনা, অটল পেঞ্চন যোজনা আৰু অন্য কল্যানকামী আঁচনিসমূহ অধিক জনপ্ৰিয় কৰি তোলাৰ বাবে ৩ মহীয়া অভিযান চলাই থকা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে আজি ৰাজস্থানৰ ধলপুৰত বিজ্ঞান কেন্দ্ৰ মুকলি কৰে। বিজ্ঞান সেঁতু উদ্যমৰ অধীনত ৰাষ্ট্ৰীয় ৰোগ প্ৰতিৰোধ বিজ্ঞান প্ৰতিষ্ঠানে এই কেন্দ্ৰটো স্থাপন কৰিছে। এই উপলক্ষে

ড° সিঙে কয়, যে যুৱ প্ৰজন্মৰ মাজত বিজ্ঞান মনস্কতাৰ প্ৰসাৰৰ দিশৰ পৰা এই কেন্দ্ৰটো গুৰুত্বপূৰ্ণৰূপে বিবেচিত হ'ব। তেওঁ লগতে স্কুলীয়া শিক্ষাৰ্থীসকলে আয়োজন কৰা এখন বিজ্ঞান প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

oooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ মধ্যভাগত হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৪ লৈ বৃদ্ধি পাইছে আৰু অন্য ৪১ জন লোক সন্ধানহীন হৈ আছে। প্ৰাপ্ত বাতৰি অনুসৰি কেৰ কাউণ্টিত সৰ্বাধিক লোক নিহত হৈছে। কেৰ কাউণ্টিৰ এটা গ্ৰীষ্মকালীন শিবিৰত ২৮ গৰাকী কিশোৰৰ মৃত্যু হয়। টেক্সাছৰ উপ-ৰাজ্যপাল ডেন পেট্ৰিকে কয়, যে যদিহে গুৱাডালুপে নদীৰ সৈতে বান সতৰ্কীকৰণ সংকেত সংযোগ কৰা হ'লহেঁতেন, তেতিয়া মৃত্যুৰ সংখ্যাও কম হ'লহেঁতেন।

oooo

২০১৪ চনত দুৰ্বল অৰ্থব্যৱস্থাসমূহৰ অন্যতম বুলি গণ্য কৰা ভাৰত চতুৰ্থ সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰূপে পৰিগণিত হোৱাটো গৌৰৱৰ কথা বুলি বিজেপিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত জাফৰ ইছলামে কয়, যে বিগত এঘাৰ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা নীতি আৰু পৰিকাঠামো বিষয়ক সংস্কাৰৰ বাবে ভাৰতীয় অৰ্থব্যৱস্থা ক্ৰমাৎ শক্তিশালী হৈ উঠিছে। বিশ্ববেংকৰ প্ৰতিবেদনৰ বিষয়ে উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে কয় যে এই প্ৰতিবেদনত আয় সমতাৰ ক্ষেত্ৰত ভাৰতক চতুৰ্থ স্থান দিয়া হৈছে। তেওঁ কয়, যে ভাৰতৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমান যথেষ্ট বৃদ্ধি পাইছে। ২০২৪-২৫ বৰ্ষত ভাৰতৰ মুঠ ৰপ্তানী ৮২ হাজাৰ ৪০০ কোটি ডলাৰৰ ঐতিহাসিক স্তৰলৈ বৃদ্ধি পোৱা বুলি তেওঁ মন্তব্য কৰে। মুখপাত্ৰগৰাকীয়ে কয়, যে দেশৰ প্ৰায় ২৭ কোটি জনসাধাৰণ দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে।

oooo

বিশ্বত প্ৰথমবাৰৰ বাবে শিশু আৰু কিশোৰৰ বাবে উপযোগী মেলেৰীয়া ৰোগৰ ঔষধত অনুমোদন জনোৱা হৈছে। ঔষধ নিৰ্মিত কোম্পানী নোভাৰটিছে কৰ্টেম নামৰ নতুন ঔষধৰ ব্যৱহাৰৰ বাবে চুইছ কৰ্তৃপক্ষৰ পৰা অনুমোদন লাভ কৰিছে। মেলেৰীয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰা অধিকাংশ ৫ বছৰৰ তলৰ হোৱাৰ পৰিপ্ৰেক্ষিতত এই নতুন ঔষধৰ বিকাশ গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। আফ্ৰিকাত অহা কেইটামান সপ্তাহত এই ঔষধৰ উৎপাদন আৰু বিতৰণ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মেলেৰীয়াত আক্ৰান্ত হৈ আফ্ৰিকা মহাদেশত ভালেসংখ্যক লোক মৃত্যুমুখত পৰে।

oooo

পশ্চিমবংগ আৰক্ষীয়ে কলকাতাৰ এগৰাকী শিক্ষাৰ্থীৰ দলবদ্ধ  ধৰ্ষণৰ ঘটনাৰ নিকা তদন্ত কৰা নাই বুলি বিজেপিয়ে অভিযোগ তুলিছে। দলৰ এখন কমিটিয়ে ঘটনা সন্দৰ্ভত ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ ওচৰত প্ৰতিবেদন দাখিল কৰাৰ পাছত আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলীয় কমিটিৰ সদস্য সত্যপাল সিঙে আজি এইদৰে অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে আৰক্ষীয়ে ঘটনাৰ সৈতে জড়িত ভালেমান তথ্য সাল-সলনি কৰিছে। ঘটনাৰ সৈতে জড়িত মুখ্য অভিযুক্তজনৰ নাম এজাহাৰৰ পৰা আতৰ কৰা হৈছে বুলি তেঁও দাবী কৰে। শ্ৰীসিঙে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনত অপৰাধীসকলক সুৰক্ষা প্ৰদান কৰা বুলি অভিযোগ

উত্থাপন কৰে। বিজেপিৰ ৪ জনীয়া কমিটিখনে ইয়াৰ প্ৰতিবেদনত দলবদ্ধ ধৰ্ষণৰ ঘটনাটো স্বতন্ত্ৰ ন্যায়িক তদন্তৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০

বিশ্বৰ পূৰ্বৰ এক নম্বৰ স্থানৰ খেলুৱৈ আৰু এছিয়ান গেমছৰ সোণৰ পদক বিজেতা জ্যোতি সুৰেখা ৱেন্নমে স্পেইনৰ মাড্ৰিদত আজি আৰম্ভ হ'বলগীয়া আৰ্চ্চাৰী বিশ্ব কাপৰ চতুৰ্থ পৰ্যায়ত দেশক নেতৃত্ব দিব। এই প্ৰতিযোগিতাত ভাৰতৰ এটা ১৬ জনীয়া দলে অংশগ্ৰহণ কৰিব। ১৩ জুলাইলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত ৪৯ খন দেশৰ ৩৩৬ গৰাকী খেলুৱৈয়ে ভাগ লব। বিশ্বকাপৰ এই অন্তিম পৰ্যায়ত ভাগ লোৱা খেলুৱৈসকলে অক্টোবৰত চীনৰ নানজিঙত হ'বলগীয়া বিশ্বকাপৰ ফাইনেলত খেলাৰ যোগ্যতা লাভৰ অন্তিম সুযোগ লাভ কৰিব।

০০০০

সমাপ্ত